# অসম আদিত্য

অসম আদিত্য, ডিব্রুগড় ❑ বুধবাৰ, ৪ জানুৱাৰী, ২০২৩ ❑ ১৯ পুহ, ১৯৪৪ শক

### অসমীয়া চলচ্চিত্ৰ নিৰ্মাণৰ হাৰ ত্বৰান্বিত কৰা, নৱপ্ৰজন্মক আকৃষ্ট কৰাৰ লক্ষ্য

# কাঁনৈত নৰ্থ-ইষ্ট ইণ্টাৰনেশ্যনেল ফ্লিম ফেষ্টিভেল

ডিব্ৰুগড়, ৩ জানুৱাৰী ঃ অসমীয়া চলচ্চিত্ৰ নিৰ্মাণৰ হাৰ ত্বৰান্বিত কৰা, নৱপ্ৰজন্মক চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰতি আকৃষ্ট কৰা আৰু অসমীয়া কথাছবি বিশ্বৰ বিশাল প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰাৰ লক্ষ্য আৰু উদ্দেশ্য সন্মুখত ৰাখি 'ৰেড কাৰ্ডিনেল মশ্যন পিক্‌চাৰ্চ' (Red Cardinal Motion pictures) আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে চিনেমাক লৈ বিভিন্ন দিশত অগ্ৰসৰ হোৱাৰ উদ্দেশ্যে ইতিমধ্যেই এখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছে আৰু অদূৰ ভৱিষ্যতে চিনেমা সম্পৰ্কীয় কাৰিকৰী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিববলৈকো আগবাঢ়িছে। সম্প্ৰতি দুয়োটা প্ৰতিষ্ঠানৰ যুটীয়া উদ্যোগত পাঁচদিনীয়াকৈ (৪ ৰ পৰা ৮ জানুৱাৰী, ২০২৩) NorthEast International Documentary and Film Festival 2023 চমুকৈ NIDFF 2023 আয়োজন কৰা হৈছে। এই মহোৎসৱত চিনেমা চোৱা আৰু সিঁবোৰৰ ভাল-বেয়া দিশবোৰৰ বিশ্লেষণাত্মক আলোচনা কৰা, নিৰ্মাণ সম্পৰ্কীয় বিভিন্ন দিশৰ কাৰিকৰী জ্ঞানৰ প্ৰশিক্ষণ আদিৰ ব্যৱস্থা কৰা, বিশ্বৰ ভাল ভাল চিনেমাসমূহ নিয়মীয়াকৈ চাব পৰা আন্তঃগাঁথনি প্ৰস্তুত কৰা, অসমৰ গাঁৱে-ভুঞে লুকাই থকা বিভিন্ন ভাষিক-সাংস্কৃতিক-নৃতাত্ত্বিক-পুৰাতাত্ত্বিক উপকৰণসমূহক লৈ চিনেমা নিৰ্মাণৰ যোগেদি সেইবোৰৰ সংৰক্ষণৰ সম্ভাৱনা সৃষ্টি কৰা, অসমৰ প্ৰাকৃতিক সম্পদ আৰু সৌন্দৰ্যক চিনেমাৰ জৰিয়তে বিশ্ব সম্প্ৰদায়ৰ চকুৰ আগত তুলি ধৰা আৰু তাৰ যোগেদি অসমৰ পৰ্যটন উদ্যোগৰ সম্ভাৱনা বৃদ্ধি কৰা আদি বিভিন্ন উদ্যমক গুৰুত্ব আৰোপ কৰা হৈছে। এই মহোৎসৱত আগ্ৰহী ব্যক্তিৰ বাবে চিনেমা নিৰ্মাণ আৰু চিনেমা প্ৰশংসাৰ তিনিদিনীয়া কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে চাৰিখন কাৰিকৰী আলোচনা চক্ৰৰো ব্যৱস্থা কৰা হৈছে। ৪ জানুৱাৰীৰ পুৱা ৯ বজাত মহোৎসৱৰ কাৰিকৰী প্ৰশিক্ষণ কৰ্মশালা উদ্বোধন কৰিব ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই। লগতে বিশ্বৰ বিভিন্ন চলচ্চিত্ৰ নিৰ্মাতাৰ দ্বাৰা নিৰ্মাণ কৰা বছা বছা চলচ্চিত্ৰৰ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। লগতে অন্তিম দিনা ভাৰতৰ তথা উত্তৰ-পূবৰ বিশিষ্ট ছবি নিৰ্মাতা আৰু নবীন-প্ৰবীণ অভিনয়ৰ শিল্পী, কলা-কুশলীৰ সৈতে মত-বিনিময়, সম্বৰ্ধনা আৰু বঁটা বিতৰণী তথা সাংস্কৃতিক অনুষ্ঠানৰ লগতে RedCardinal Motion Pictures ৰ উদ্যোগত নিৰ্মাণ হৈ থকা এখনি পূৰ্ণ-দৈৰ্ঘ্যৰ চলচ্চিত্ৰৰ বিশেষ প্ৰদৰ্শন কৰা হ'ব, য'ত অভিনয় কৰিছে ডিব্ৰুগড়ৰ ভালেকেইগৰাকী নবীন আৰু প্ৰবীণ শিল্পীয়ে। এই মহোৎসৱত বিশ্বৰ ছবি নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিব পৰাকৈ ক্ৰমে— (ক) Short / Feature Films- International / National / Northeast India Special Cultural, (খ) Documentary Short / Feature, (গ) Mobile Film, (ঘ) Special Lockdown / Pandemic / COVID Films আৰু (ঙ) Animation আদি পাঁচটা শিতানত প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হৈছে। মহোৎসৱৰ সকলো কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আৰু অংশগ্ৰহণ কামনা কৰিছে ৰেড কাৰ্ডিনেল মশ্যন পিক্‌চাৰ্চৰ সঞ্চালক মৃদুপৱন বড়া আৰু মহোৎসৱৰ সমন্বয়ক ড০ মৃদুল শৰ্মাই।